Total No. of Printed Pages—3

**6 SEM TDC ASM M 4**

**2016**

( May )

# ASSAMESE

( Major )

Course : 604

( বিশ্ব সাহিত্যৰ পৰিচয় )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ :

(ক) বিশ্বসাহিত্যৰ ধাৰণাটো পোন প্ৰথমে কোনে উপস্থাপন কৰিছিল? ১

(খ) ১৯০৭ চনত ৰবীন্দ্ৰনাথ ঠাকুৰে প্ৰদান কৰা প্ৰখ্যাত বক্তৃতামালাৰ বিষয় কি আছিল? ১

(গ) শকুন্তলাক দুষ্যন্তৰ ওচৰত থ'বলৈ যোৱা কণ্বমুনিৰ শিষ্য দুজনৰ নাম লিখাঁ। ২

(ঘ) এন্টন চেখভে কোন ভাষাত সাহিত্য ৰচনা কৰিছিল? ১

(ঙ) 'আফ্কে'জটেন' উপন্যাসখন মূলতঃ কোন ভাষাত ৰচিত আৰু ডঃ মহেন্দ্ৰ বৰাই কোন ভাষাৰ পৰা উপন্যাসখনৰ অসমীয়া ভাঙনি কৰিছে? ২

(চ) হাইটিৰ জাতীয় কবি হিচাপে পৰিচিত কোনজন কবিৰ কবিতা তোমালোকৰ পাঠ্য? ১

২। (ক) বিশ্বসাহিত্য সম্পৰ্কে বিভিন্নজনে আগবঢ়োৱা ধাৰণাৰ আধাৰত 'বিশ্বসাহিত্য' সম্পৰ্কে বুজাই লিখাঁ। লগতে তুলনামূলক সাহিত্যৰ ধাৰণাৰ সৈতে এই ধাৰণাৰ সম্পৰ্ক বিচাৰ কৰাঁ। ৭+৬=১৩

*অথবা*

(খ) বিশ্বসাহিত্যৰ ধাৰণাত তুলনামূলক সাহিত্যৰ অধ্যয়নে কেনেভাৱে অৰিহণা যোগাব পাৰে, আলোচনা কৰাঁ। ১৩

৩। মহাকবি কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্'-ৰ চতুৰ্থ অংকৰ কাব্যিক ৰমণীয়তা *অথবা* কণ্বমুনিৰ চৰিত্ৰৰ এটি পৰিচয় দাঙি ধৰাঁ। ১২

৪। (ক) 'মাকচীৰ স্বপ্ন' গল্পটোৰ গল্পকাৰৰ চমু পৰিচয় দি গল্পটোৰ টোপাকোৱ চৰিত্ৰটো বিশ্লেষণ কৰাঁ। ৪+১০=১৪

*অথবা*

(খ) অ' হেনৰী গল্পৰ বিশেষত্ববোৰ উল্লেখ কৰি তোমাৰ পাঠ্য গল্পটোত কেনেদৰে এই বিশেষত্ব প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ৪+১০=১৪

৫। নিম্নলিখিত যি কোনো দুটা কবিতাৰ পৰিচয়জ্ঞাপক টোকা লিখাঁ : ৭×২=১৪

(ক) জীৱন্মৃত

(খ) সময়ৰ সন্তানবোৰ

(গ) ক'লা মানুহৰ ল'ৰা

(ঘ) প্ৰথম বাসনাৰ গীত

৬। (ক) 'অশ্ৰুতীৰ্থ' *অথবা* 'আফ্‌কে'জটেন'-ৰ অনুবাদৰীতি সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱাঁ। ১০

(খ) চমু পৰিচয় দিয়াঁ : ৩×৩=৯

(১) 'অশ্ৰুতীৰ্থ'ৰ মূল চৰিত্ৰ

(২) 'আফ্‌কে'জটেন' উপন্যাসৰ আফ্‌কে

(৩) 'অশ্ৰুতীৰ্থ'ত নাট্যকাৰৰ মৌলিকতা

★★★